# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

**প্ৰেছ বাৰ্তা নং ঃ ১১২/২০২২**

## <u>ডিফুত চাৰি লেনযুক্ত উৰণীয়া সেতুৰ ভূমি পূজাত অংশ ল'লে মুখ্যমন্ত্ৰীয়ে</u>

## টেট উত্তীৰ্ণ শিক্ষকক নিযুক্তিপত্ৰ, সাংবাদিক আৰু বিশিষ্ট লেখকক আৰ্থিক সাহায্য প্ৰদান মুখ্যমন্ত্ৰীৰ

## জিলাখনৰ শিক্ষকসকলে যাতে দায়বদ্ধতাৰে দায়িত্ব পালন কৰি শৈক্ষিক উৎকৰ্যতাত বৰঙণি যোগাব পাৰে তাৰ প্ৰতি দৃষ্টি ৰাখিবলৈ ৰাইজক আহ্বান মুখ্যমন্ত্ৰীৰ

**দিছপুৰ, ১৫ এপ্ৰিল ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি কাৰ্বি আংলং জিলাৰ ডিফুৰ জয়সিং দলৈ প্ৰেক্ষাগৃহত অনুষ্ঠিত এক কাৰ্যসূচীত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ অন্তৰ্গত ৮৮৪ গৰাকী টেট উত্তীৰ্ণ শিক্ষকক নিয়মীয়া আৰু ঠিকাভিত্তিত পদত নিযুক্তি প্ৰদান কৰে। এই শিক্ষকসকলৰ ভিতৰত উচ্চ প্ৰাথমিক বিদ্যালয়ত ১০৮ গৰাকীক সহকাৰী শিক্ষক আৰু ২৫ গৰাকীক গণিত আৰু বিজ্ঞানৰ শিক্ষক হিচাপে, ১৯২ গৰাকীক প্ৰাথমিক বিদ্যালয়ৰ সহকাৰী শিক্ষক হিচাপে আৰু ৫৫৯ গৰাকীক সৰ্বশিক্ষা অভিযানৰ অধীনত ঠিকাভিত্তিত সহকাৰী শিক্ষক হিচাপে নিযুক্তি দিয়া হৈছে।

এই অনুষ্ঠানতে মুখ্যমন্ত্ৰী ড° শৰ্মাই জনসংযোগ বিভাগৰ পঞ্জীয়নভুক্ত তথা স্বীকৃতিপ্ৰাপ্ত ৩২ গৰাকী সাংবাদিকক এককালীন আৰ্থিক সাহায্য (বীমাৰ প্ৰিমিয়াম) আৰু কাৰ্বি আংলং তথা পশ্চিম কাৰ্বি আংলং জিলাৰ ৩৪ গৰাকী বিশিষ্ট লেখকক ১ লাখ টকাকৈ আৰ্থিক সাহায্য আগবঢ়ায়। ইয়াৰ উপৰি মুখ্যমন্ত্ৰীয়ে নিহত সাংবাদিকসকলৰ পৰিয়ালক ৫০ হাজাৰ টকাকৈ আৰু ৮৮ গৰাকী আইনৰ ডিগ্ৰীধাৰীক ১৫ হাজাৰ টকাকৈ আৰ্থিক সাহায্যও প্ৰদান কৰে।

এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিগত কেইবছৰ মানৰ ভিতৰত কাৰ্বি আংলঙত বিকাশৰ এক নৱজাগৰণৰ সৃষ্টি হৈছে আৰু ইয়ে সমগ্ৰ অঞ্চলটোত প্ৰগতিৰ নতুন দিগন্ত সূচনা কৰিবলৈ সক্ষম হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে যদিহে ৰাস্তা-ঘাট, দলং আদি বিভিন্ন আন্তঃগাঁথনিমূলক প্ৰকল্পক মানুহৰ শৰীৰৰ অংগ হিচাপে গণ্য কৰা যায়, তেন্তে শিক্ষা আৰু স্বাস্থ্যখণ্ড হৈছে এজন ব্যক্তিৰ শৰীৰৰ আত্মা। ৰাজ্য চৰকাৰে এই আত্মাৰ বিকাশ সাধনৰ হকে কাম কৰিছে বুলি মন্তব্য কৰি ড° শৰ্মাই কয় যে অসম চৰকাৰে শিক্ষা আৰু স্বাস্থ্যখণ্ডত ৰাজ্যৰ মুঠ ঘৰুৱা উৎপাদনৰ ৬ শতাংশ ব্যয় কৰি আহিছে যি দেশৰ ভিতৰতে লেখতল'বলগীয়া।

শিক্ষকতা কেৱল এক বৃত্তি হিচাপে গণ্য কৰাটো উচিত নহয় বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে শিক্ষকসকলক সমাজৰ প্ৰতি দায়বদ্ধ হ'বলৈ আহ্বান জনায়। তেওঁ কয় যে ২০১২-১৩ বৰ্ষৰ পৰা ৰাজ্য চৰকাৰে কাৰ্বি আংলঙকে ধৰি সমগ্ৰ অসমত কেইবা হাজাৰো টেট উত্তীৰ্ণ শিক্ষকক নিযুক্তি প্ৰদান কৰিছে

# জনসংযোগ, অসম
## মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
## প্ৰেছ বাৰ্তা

যদিও ৰাজ্যৰ শৈক্ষিক পৰিৱেশ আশা কৰা ধৰণে উন্নত হোৱা নাই, বৰঞ্চ চৰকাৰী বিদ্যালয়সমূহত নামভৰ্ত্তিৰ হাৰ পূৰ্বতকৈ হ্ৰাস পাইছে। কাৰ্বি আংলং জিলাতো পৰিস্থিতি একে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰীয়ে কয় যে যিসকল শিক্ষক বিদ্যালয়লৈ নাযায় আৰু নিজৰ কৰ্তব্যৰ প্ৰতি অৱহেলা কৰে তেওঁলোক সমাজৰ শত্ৰু, কিয়নো মানৱ সম্পদ গঢ়াৰ মহান যজ্ঞত তেওঁলোক নিয়োজিত হৈ আছে।

এই কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে শিক্ষকসকলে নিষ্ঠাৰে দায়িত্ব পালন নকৰিলে, তাৰ প্ৰভাৱ সমাজৰ সৰ্বত্ৰতে পৰে। কিয়নো ভাল শিক্ষাই ভাল মানুহ গঢ়ে। তেওঁ লগতে কাৰ্বি আংলং জিলাত সৰ্বসাধাৰণ ৰাইজ বিশেষকৈ বুদ্ধিজীৱী মহলক শিক্ষকসকলে দায়িত্ব নিষ্ঠাৰে যাতে পালন কৰে সেই দিশত দৃষ্টি ৰাখিবলৈ আহ্বান জনায়। মুখ্যমন্ত্ৰীয়ে কয় যে কাৰ্বি আংলং প্ৰচুৰ সম্পদৰে ভৰপূৰ। কিন্তু এই অঞ্চলটোৰ দ্ৰুত বিকাশৰ বাবে সবাতোকৈ প্ৰয়োজনীয় হৈছে গুণগত মানৰ শিক্ষা আৰু শিক্ষা লাভৰ সা-সুবিধা অধিক বৃদ্ধি হোৱাটো। তেওঁ কয় যে শিক্ষাই সমাজত সমতাৰ সৃষ্টি কৰে আৰু সকলোকে বিকাশৰ পথেৰে আগুৱাই নিয়ে।

কাৰ্বি আংলং জিলাৰ যুৱক-যুৱতীসকলে কেৱল জিলাখনৰ ভিতৰতে নিজক সীমাবদ্ধ নাৰাখি কৰ্ম সংস্থাপনৰ বাবে আন ঠাইলৈ ওলাই যোৱাৰ মানসিকতা বৃদ্ধি কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মুখ্যমন্ত্ৰীয়ে জিলাখনৰ ছাত্ৰ-ছাত্ৰীসকলক কাৰ্বি ভাষাৰ লগতে ইংৰাজী, অসমীয়া, হিন্দীকে ধৰি যিমান সংখ্যক ভাষা শিকিব পৰা যায় তাৰ বাবে প্ৰচেষ্টা চলাবলৈ আহ্বান জনায়।

আজিৰ অনুষ্ঠানত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙেও ভাষণ প্ৰদান কৰে। আনহাতে পাৰ্বত্য এলেকা উন্নয়ন বিভাগৰ মন্ত্ৰী যোগেন মহন, অসম বিধান সভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিন, সাংসদ হৰেন সিং বে, বিধায়কসকল ক্ৰমে বিদ্যাসিং ইংলেং, দৰচিং ৰংহাং আৰু ৰূপসিং তেৰাং, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ অধ্যক্ষ লংকি টিমুং, কেইবাগৰাকীও কাৰ্যবাহী সদস্য, পৰিষদৰ সদস্য, উপায়ুক্ত আৰু আৰক্ষী অধীক্ষকো এই সভাত উপস্থিত থাকে।

নিযুক্তিপত্ৰ বিতৰণৰ সভাত অংশগ্ৰহণ কৰাৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই ডিফু চহৰৰ যান-জটৰ সমস্যা লাঘৱ কৰাৰ পদক্ষেপৰ অংশ হিচাপে লামডিং-ডিমাপুৰ পথত ডিফু ষ্টেডিয়ামৰ পৰা ডিফু মুখ্য ডাকঘৰলৈ নিৰ্মাণ কৰিবলগীয়া চাৰি লেনযুক্ত ১.৪ কিলোমিটাৰ দৈৰ্ঘ্যৰ এখন উৰণীয়া সেতুৰ ভূমি পূজাত অংশ লয়। লোক নিৰ্মাণ (পথ) বিভাগে ২৪৩ কোটি টকা ব্যয়ৰে এই উৰণীয়া সেতুখন নিৰ্মাণ কৰিব।

**বীঃগঃ**

**১৫-০৪-২০২২**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in